**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 16-07-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। চৰকাৰে সংসদৰ বৰ্ষাকালীন অধিৱেশনৰ পূৰ্বে দেওবাৰে এখন সৰ্বদলীয় বৈঠকৰ আহ্বান কৰিছে।

২। সিন্দূৰ অভিযানৰ সময়ত ভাৰতীয় সশস্ত্ৰ বাহিনীসমূহে পাকিস্তানে ব্যৱহাৰ কৰা ড্ৰোণ আৰু মানৱৰহিত অন্য অস্ত্ৰ প্ৰণালী ধবংস কৰিছিল বুলি চীফ অব্ ডিফেন্স ষ্টাফ জেনেৰেল অনিল চৌহানে প্ৰকাশ কৰিছে।

৩। ঝাৰখণ্ডৰ বোকাৰু জিলাত আৰক্ষীৰ সৈতে হোৱা সংঘৰ্ষত দুজন নক্সালবাদী নিহত হৈছে।

৪। দ্ৰুতভাৱে ডিজিটেল দিশে অগ্ৰসৰ হোৱা বৰ্তমানৰ বিশ্বত ধনৰ অপব্যৱহাৰ হ'ব পাৰে বুলি বিত্তীয় কাৰ্য বাহিনীয়ে আশংকা প্ৰকাশ কৰিছে।

আৰু

৫। ভাৰতে জাপান অ'পেন বেডমিণ্টন প্ৰতিযোগিতাত জয়েৰে অভিযান আৰম্ভ কৰিছে।

0000000

চৰকাৰে সংসদৰ বৰ্ষাকালীন অধিৱেশনৰ পূৰ্বে দেওবাৰে এখন সৰ্বদলীয় বৈঠকৰ আহ্বান কৰিছে। বৈঠকত চৰকাৰে সংসদৰ উভয় সদনৰ কাম-কাজ সুচাৰুৰূপে চলাই নিয়াৰ বাবে সকলো ৰাজনৈতিক দলৰ সহযোগিতা কামনা কৰিব। সংসদৰ বৰ্ষাকালীন অধিৱেশন অহা ২১ জুলাইত আৰম্ভ হ'ব আৰু ২১ আগষ্টত অন্ত পৰিব। এই অধিৱেশনৰ সময়ছোৱাত কেইবাখনো গুৰুত্বপূৰ্ণ বিধেয়কক লৈ সদনত আলোচনা হ'ব।

000000000

সিন্দূৰ অভিযানৰ সময়ত ভাৰতীয় সশস্ত্ৰ বাহিনীসমূহে পাকিস্তানে ব্যৱহাৰ কৰা ড্ৰোণ আৰু মানৱৰহিত অন্য অস্ত্ৰ প্ৰণালী ধবংস কৰিছিল বুলি চীফ অব্ ডিফেন্স ষ্টাফ জেনেৰেল অনিল চৌহানে প্ৰকাশ কৰিছে। নতুন দিল্লীত আজি মানৱৰহিত আকাশী যান আৰু মানৱ ৰহিত আকাশী যান প্ৰণালী প্ৰতিৰোধী ব্যৱস্থাৰ স্বদেশীকৰণ সম্পৰ্কীয় এখন কৰ্মশালাত ভাষণ দি এইদৰে প্ৰকাশ কৰে। তেওঁ কয়, যে পাকিস্তানৰ ড্ৰোণৰ পৰা ভাৰতৰ সামৰিক অথবা অসামৰিক আন্তঃগাঁথনিৰ কোনোধৰণৰ ক্ষতি হোৱা নাই। তেওঁ কয়, যে অপাৰেচন সিন্দূৰৰ জৰিয়তে থলুৱা মানৱৰহিত আকাশী যান ব্যৱস্থাৰ নিয়োগৰ গুৰুত্ব প্ৰতিপন্ন হৈছে। জেনেৰেল চৌহানে কয়, যে দেশে নিজৰ সুৰক্ষাৰ বাবে প্ৰতিৰক্ষা খণ্ডৰ বিনিয়োগ আৰু নিৰ্মাণত অধিক গুৰুত্ব আৰোপ কৰিব লাগিব, কাৰণ বিদেশী প্ৰযুক্তিৰ নিৰ্ভৰশীলতাৰ পৰা প্ৰস্তুতি দুৰ্বল হৈ পৰে।

000000000

ঝাৰখণ্ডৰ বোকাৰু জিলাৰ জাগেশ্বৰ বিহাৰ আৰক্ষী চকীৰ অধীনৰ কাশীলুণ্ড পাৰ্বত্য অঞ্চলৰ কাশীতান বনাঞ্চলত আৰক্ষী আৰু নক্সালবাদীৰ মাজত হোৱা সংঘৰ্ষত দুজন নক্সালবাদী নিহত হৈছে। এই সংঘৰ্ষত কোব্ৰা বেটেলিয়নৰ এগৰাকী জোৱানো ছহিদ হৈছে। সূত্ৰৰ পৰা জানিব পৰা মতে সুৰক্ষা বাহিনীয়ে উপ-মাণ্ডলিক নক্সাল কমাণ্ডাৰ কুঁৱৰ মাঝি ওৰফে ছাহদেউ মাঝি ওৰফে ছাদেক গুলীয়াই নিধন কৰে। কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ ২০৯ নম্বৰ কোব্ৰা গোটে সংঘৰ্ষস্থলীৰ পৰা এটা এ কে ফৰ্টি ছেভেন ৰাইফল উদ্ধাৰ কৰিছে।

জিলা আৰক্ষী, কোব্ৰা বেটেলিয়ন আৰু কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ এটা যৌথ দলে নক্সালবাদী সকলক ঘেৰি ধৰাৰ বাবে অঞ্চলটোত যৌথ অভিযান চলাই আছে। অঞ্চলটোৰ ওচৰ-পাজৰৰ এলেকাসমূহত তালাচী অভিযান তীব্ৰতৰ কৰি তোলা হৈছে আৰু প্ৰশাসনকো সতৰ্ক কৰি দিয়া হৈছে।

000000000

সন্ত্ৰাসবাদী সংগঠনলৈ পুঁজি যোগানৰ ঘটনাৰ ওপৰত নজৰ ৰখাৰ বাবে থকা গোলকীয় সংস্থা বিত্তীয় কাৰ্য বাহিনীয়ে দ্ৰুতভাৱে ডিজিটেল দিশে অগ্ৰসৰ হোৱা বৰ্তমানৰ বিশ্বত ধনৰ অপব্যৱহাৰ হ'ব পাৰে বুলি আশংকা প্ৰকাশ কৰিছে।

বাহিনীটোৱে সন্ত্ৰাসবাদলৈ সমৰ্থন আগবঢ়োৱাৰ লগতে অবৈধ আয়ৰ ভাগ দিবলৈ আৰু বিশ্বজনীন শান্তিত বিঘ্নিত কৰিব পৰা কাম-কাজৰ বাবে  ধনৰ অপব্যৱহাৰ হ'ব পাৰে বুলি প্ৰকাশ কৰিছে। বিত্তীয় ব্যৱস্থাৰ সুৰক্ষাৰ বাবে সংস্থাটোৱে বিশ্বৰ বিভিন্ন প্ৰান্তৰ দেশৰ সৈতে কাম কৰি আহিছে। সংস্থাটোৱে যোৱা জুন আৰু জুলাইত প্ৰকাশ কৰা জটিল বিত্ত যোগান ব্যৱস্থাৰ প্ৰসাৰ আৰু প্ৰতিবন্ধকতাৰ অৱহেলা তথা সন্ত্ৰাসবাদীলৈ ধন যোগানৰ বিপদাশংকা সম্পৰ্কীয় দুখন প্ৰতিবেদনৰ বিষয়েও বিশেষভাৱে উল্লেখ কৰিছে। প্ৰথমখন প্ৰতিবেদনত নিষিদ্ধ ঘোষিত ব্যক্তি প্ৰতিষ্ঠানৰ পৰিচয় গাপ দিয়াৰ বাবে লাভদায়ক স্বত্বাধিকাৰৰ তথ্য হেৰফেৰ, আভাসী সা-সম্পত্তি আৰু ক্ৰিপ্ট'  কাৰেন্সিৰ অপব্যৱহাৰ তথা আন্তঃৰাষ্ট্ৰীয় নীতি-নিয়মক আওকাণ কৰাৰ বাবে সামুদ্ৰিক খণ্ড আৰু জাহাজ চলাচল খণ্ডৰ লাভ গ্ৰহণকে ধৰি উন্নত পদ্ধতিসমূহ বিশদভাৱে সামৰি লোৱা হৈছে। ইপিনে, ভাৰতে উত্থাপন কৰা এটা বিষয়ৰ অধ্যয়নত দক্ষিণ এছিয়া অঞ্চলত পাকিস্তানৰ চৰকাৰৰ অধীনৰ ৰাষ্ট্ৰীয় উন্নয়ন চৌহদৰ পৰা উদ্ভৱ হোৱা প্ৰসাৰ সম্পৰ্কীয় উদ্বেগৰ বিষয়ে আলোকপাত কৰা হৈছে। এই চৌহদৰ বিৰুদ্ধে পুঁজি যোগানৰ উদ্যোগৰ কাৰণে কেইবাখনো দেশে প্ৰতিবন্ধকতা আৰোপ কৰিছে।

ooooooooo

কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গে আৰু লোকসভাত বিৰোধী পক্ষৰ নেতা ৰাহুল গান্ধী অসম প্ৰদেশ কংগ্ৰেছৰ কৰ্মীসভা আৰু সতীৰ্থ সন্মিলনত অংশ লোৱাৰ বাবে ইতিমধ্যে অসমত উপস্থিত হৈছে। দুয়োগৰাকী নেতাই মহানগৰীৰ এখন হোটেলত কংগ্ৰেছৰ জিলা সভাপতিসকলৰ সৈতে বৈঠকত মিলিত হ'ব। এই বৈঠকত সমাগত বিধানসভা নিৰ্বাচনৰ বাবে দলৰ কাম-কাজ আগুৱাই নিয়াৰ সন্দৰ্ভত আলোচনা কৰা হ'ব। ইয়াৰ পাছত দলটোৰ ৰাষ্ট্ৰীয় নেতা দুগৰাকীয়ে ছয়গাঁৱৰ বনগাঁৱত এখন দলীয় সভাত অংশগ্ৰহণ কৰিব। এই কাৰ্যসূচীৰ অন্তত কংগ্ৰেছ নেতা দুগৰাকীয়ে এখন সংবাদমেল সম্বোধন কৰিব বুলি দলীয় সূত্ৰই প্ৰকাশ কৰিছে।

ooooooo

কলকাতা উচ্চ ন্যায়ালয়ে যোৱা বছৰ সংঘটিত আৰ জি কৰ চিকিৎসা মহাবিদ্যালয়ৰ প্ৰশিক্ষাৰ্থী চিকিৎসকক ধৰ্ষণ আৰু হত্যাৰ গোচৰত দোষী সাব্যস্ত সঞ্জয় ৰয়ক দোষমুক্ত কৰাৰ বাবে জনোৱা আবেদন গ্ৰহণ কৰিছে। শিয়ালদহ আদালতে এই গোচৰত সঞ্জয় ৰয়ক দোষী সাব্যস্ত কৰি যাৱজ্জীৱন কাৰাদণ্ডৰে দণ্ডিত কৰিছিল। চি বি আয়ে এই ৰায়ৰ বিৰুদ্ধে কলকাতা উচ্চ ন্যায়ালয়ৰ কাষ চাপিছিল। ছেপ্তেম্বৰত গোচৰটোৰ পৰৱৰ্তী শুনানিৰ দিন ধাৰ্য কৰা হৈছে। উচ্চ ন্যায়ালয়ে ভুক্তভোগী চিকিৎসকগৰাকীৰ পৰিয়ালকো গোচৰটোৰ পক্ষ কৰিব পৰা যায় বুলি ৰায় দিছে।

oooooooo

শ্ৰীলংকাৰ ১৪ টা ৰাজনৈতিক দলৰ যুৱ ৰাজনৈতিক নেতাৰ এটা ২৪ জনীয়া প্ৰতিনিধি দলে আজি নতুন দিল্লীত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ সচিব বিক্ৰম মিশ্ৰীক সাক্ষাৎ কৰে। সাক্ষাৎকালত বিদেশ সচিব গৰাকীয়ে ভৱিষ্যতৰ পৰিকল্পনাৰ অংশীদাৰ হিচাপে ভাৰত আৰু শ্ৰীলংকাৰ সহযোগিতা সুদৃঢ় কৰাত তেওঁলোকৰ ভূমিকাৰ বিষয়ে গুৰুত্ব আৰোপ কৰে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে সামাজিক মাধ্যমৰ এটা পোষ্টযোগে কয়, যে শ্ৰীলংকাৰ যুৱ ৰাজনৈতিক নেতাসকলৰ প্ৰতিনিধি দলটোৱে আজি ভাৰতত তেওঁলোকৰ দুসপ্তাহজোৱা কাৰ্যসূচী আৰম্ভ কৰিছে।

ooooooooo

পৰ্যটন মন্ত্ৰালয়ৰ সঞ্চালক প্ৰধান সুমন বিল্লাই ক্ৰমাৎ ম্লান হৈ পৰা ভাৰতৰ ৰন্ধন পৰম্পৰাক সংৰক্ষণ কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ কয় যে ভাৰতৰ ৰন্ধন ঐতিহ্য সাংস্কৃতিক ঐতিহ্য আৰু আঞ্চলিক কৌশলৰ ওপৰত প্ৰতিষ্ঠিত। নতুন দিল্লীত ৰাষ্ট্ৰীয় যুৱ চেফ প্ৰতিযোগিতা (এন ৱাই চি চি) উদ্বোধন কৰি শ্ৰীবিল্লাই এই পৰম্পৰাসমূহক শক্তিশালী কৰাৰ লগতে গোলকীয় খাদ্য ঠাইত ভাৰতৰ স্থান সম্প্ৰসাৰণৰ বাবেও গুৰুত্ব আৰোপ কৰে।

ইণ্ডিয়ান ফেডাৰেচন অৱ কেলেনেৰী এছ'চিয়েচন আৰু টুৰিজিম এণ্ড হস্পিটেলিটি স্কিল কাউন্সিলৰ সৈতে সহযোগিতামূলক প্ৰচেষ্টা এন ৱাই চি চিৰ বিষয় বস্তু হৈছে "ভাৰতীয় ৰন্ধন ঐতিহ্য উদযাপন: উদ্ভাৱনৰ

সৈতে পৰম্পৰাৰ মিশ্ৰণ"। ইয়াত সমগ্ৰ দেশজুৰি মাণ্ডলিক প্ৰতিযোগিতা অনুষ্ঠিত হয় আৰু অহা বছৰৰ জানুৱাৰী মাহত নতুন দিল্লীৰ আই এইচ এম পুছাত চূড়ান্ত প্ৰতিযোগিতা অনুষ্ঠিত হব।

পি এইচ ডি চেম্বাৰ অৱ কমাৰ্চ এণ্ড ইণ্ডাষ্ট্ৰীয়ে পৰ্যটন মন্ত্ৰালয়ৰ সহযোগত ৰাষ্ট্ৰীয় যুৱ চেফ প্ৰতিযোগিতা আৰম্ভ কৰিছে।

000000

লাডাখৰ কাৰ্গিলত মাহজোৰা ধৰ্তি আবা জন ভাগীদাৰী অভিযান -সজাগতা আৰু লাভালাভ শিবিৰ, ২০২৫ৰ সামৰণি পৰে। পৰ্যটন বিভাগৰ কাৰ্যবাহী পৰিষদ কাচো মহম্মদ ফিৰোজে এই অভিযান সফল পৰিচালনাৰ বাবে জিলা প্ৰশাসন আৰু সংশ্লিষ্ট বিভাগসমূহৰ প্ৰচেষ্টাক প্ৰশংসা কৰে। তেওঁ সম্প্ৰদায়ৰ অংশগ্ৰহণৰ প্ৰয়োজনীয়তা ওপৰত গুৰুত্ব আৰোপ কৰি উন্নয়নমূলক পদক্ষেপ ৰূপায়ণৰ ক্ষেত্ৰত লাডাখ স্বায়ত্বশাসিত পাৰ্বত্য উন্নয়ন পৰিষদ কাৰ্গিলৰ পৰা সহায়ৰ আশ্বাস দিয়ে।

পৰিষদৰ উপ আয়ুক্ত তথা মুখ্য কাৰ্যবাহী বিষয়া ৰাকেশ কুমাৰে আলোকপাত কৰে যে এই অভিযানত জনজাতীয় আৰু প্ৰান্তীয় জনসাধাৰণৰ মাজত চৰকাৰী আঁচনিসমূহ প্ৰদান কৰাটো নিশ্চিত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। শিবিৰসমূহৰ সময়ত উত্থাপিত অভিযোগসমূহ পৰ্যায়ক্ৰমে সমাধান কৰা হ'ব বুলি তেওঁ অৱগত কৰে।

১৪টা খণ্ডত মুঠ ১১২টা শিবিৰ অনুষ্ঠিত হয়। এই অনুষ্ঠানত হিতাধিকাৰীক বাসস্থানৰ প্ৰমাণ পত্ৰ বিতৰণৰ লগতে বিশিষ্ট ব্যক্তি সকলক গছ পুলিৰে সম্বৰ্ধনা জনোৱা হয়।

00000

ভাৰতে জাপান অ'পেন বেডমিণ্টন প্ৰতিযোগিতাত জয়েৰে অভিযান আৰম্ভ কৰিছে। সাত্বিকছাইৰাজ ৰণকীৰেড্ডী আৰু ছিৰাগ চেট্টীৰ যুটিটোৱে আজি পুৰুষৰ ডাবলছৰ প্ৰথম ৰাউণ্ডৰ এখন খেলত বিশ্বৰ পঞ্চদশ বাছনিপ্ৰাপ্ত দক্ষিণ কোৰিয়াৰ কাং মিন হ্যুক আৰু কিমদং জুক ২১-১৮, ২১-১০ গেমত পৰাস্ত কৰে। একেদৰে পুৰুষৰ ছিংগলছত লক্ষ্য সেনে চীনৰ ৱাং ঝেং শ্বিঙক ২১-১১, ২১-১৮ পোনপটীয়া গেমত পৰাভূত কৰে। অৱশ্যে অলিম্পিকত দুবাৰকৈ পদক বিজেতা পি ভি সিন্ধু কোৰিয়াৰ চিম য়ু জিনৰ হাতত পৰাজিত হৈ প্ৰতিযোগিতাৰ প্ৰথম ৰাউণ্ডৰ পৰা বিদায় লৈছে।

ooooooooo

ভাৰতৰ ২০ বছৰ অনূৰ্ধৰ মহিলা ফুটবল দলটো আজি তাছখণ্ড ড'স্টলিক ষ্টেডিয়ামত উজবেকিস্তানৰ বিৰুদ্ধে দ্বিতীয় তথা অন্তিমখন প্ৰীতি খেলত অৱতীৰ্ণ হ'ব। ভাৰতীয় সময় অনুসৰি খেলখন নিশা চাৰে ৮ বজাত আৰম্ভ হ'ব।

ইয়াৰ পূৰ্বে সোমবাৰে দেশ দুখনৰ মাজত অনুষ্ঠিত প্ৰথমখন প্ৰীতি খেল ১-১ গ'লত অমিমাংসিত হৈ ৰৈছিল। খেলখনৰ ৭৯ মিনিটত ভাৰতৰ হৈ সুলঞ্জনা ৰাউলে একমাত্ৰ গ'লটো দিছিল।

অহা মাহত হ'বলগীয়া মহিলাৰ ২০ বছৰ অনূৰ্ধৰ এ এফ চি এছিয়ান কাপ কোৱালিফায়াৰ্ছত অংশগ্ৰহণৰ প্ৰস্তুতি হিচাপে ভাৰত আৰু উজবেকিস্তানে এই খেলদুখনত অংশ লৈছে। কোৱালিফায়াৰ্ছত ভাৰতে ইণ্ডোনেছিয়া, তুৰ্কমেনিস্তান আৰু ম্যানমাৰৰ বিৰুদ্ধে খেলিব। ইপিনে গ্ৰুপ-জিত স্থান লাভ কৰা উজবেকিস্তানে বাহৰেইন, উত্তৰ মাৰিয়ানা দ্বীপপুঞ্জ আৰু জৰ্ডানৰ মুখামুখি হ'ব। প্ৰতিযোগিতাৰ পৰা নিৰ্বাচিত দলসমূহে অহা বছৰ থাইলেণ্ডত হ'বলগীয়া চূড়ান্ত প্ৰতিযোগিতাত অংশগ্ৰহণৰ যোগ্যতা অৰ্জন কৰিব।

ooooooo

সমাপ্ত